আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# ই-সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, JANUARY 21, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ২৫ Guwahati, Assam ।। মূল্যঃ এটকা

## ভূপেন বৰাক আক্ৰমণ

### হাতত তেজলগা ৰুমাল লৈ বৰাই ক'লে, 'আজি মাটিত অসমৰ প্ৰতিজন কংগ্ৰেছীৰ তেজ পৰিছে, এই এটোপাল এটোপাল তেজৰ হিচাপ হ'ব।''



বিতং বাতৰি ৩ পৃষ্ঠাত

# উছৱমুখৰ অযোধ্যাত ৰামক লৈ ব্যস্ত দেশৰ চৰকাৰ



ই-সংবাদ বিশেষ, ২১ জানুৱাৰীঃ অযোধ্যাত এতিয়া 'মহোৎসৱ' সদৃশ পৰিস্থিতি। অযোধ্যাৰ আকাশ-বতাহত কেৱল জয় শ্ৰী ৰাম ধ্বনি শুনা গৈছে। দেশৰ বিভিন্ন প্ৰান্তৰ হাজাৰ হাজাৰ লোকে বিভিন্ন শিবিৰত বাহৰ পাতি ৰামৰ ভক্তি কৰিবলৈ আৰম্ভ কৰিছে। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অযোধ্যালৈ আহিছে ৰামভক্ত। ৰাম লালাৰ প্ৰাণ প্ৰতিষ্ঠাক কেন্দ্ৰ কৰি সমগ্ৰ দেশজুৰি উৎসৱৰ পৰিৱেশ দেখা

■ শেষাংশ দ্বিতীয় পৃষ্ঠাত

**চৌদিশে 'জয় শ্ৰী ৰাম' ধ্বনি, দেশৰ প্ৰতিটো কোণৰ পৰা ৰামভক্তৰ সোঁত, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সোমবাৰে দুপৰীয়া উদ্বোধন কৰিব ৰাম মন্দিৰ...**

প্ৰথম পৃষ্ঠাৰ পৰা

# উছৱমুখৰ অযোধ্যাত ৰামক লৈ ব্যস্ত

গৈছে। কেইটামান ঘণ্টাৰ পাছতে দেশৰ কোটি কোটি হিন্দুৰ আস্থাক প্ৰতিয়মান কৰি ৰাম মন্দিৰত প্ৰভু ৰামৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হ'ব৷ যি পৱিত্ৰ ক্ষণলৈ অধীৰ আগ্ৰহেৰে বৈ আছিল দেশবাসী৷ কাইলৈ তথা ২২ জানুৱাৰীত ৫০০ বছৰীয়া অধ্যায়ৰ সামৰণি পেলাই উত্তৰ প্ৰদেশৰ অযোধ্যাত ৰাম মন্দিৰত প্ৰভু ৰামৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হ'ব৷ কেন্দ্ৰীয় চৰকাৰে আৰু বিভিন্ন ৰাজ্যৰ চৰকাৰে অৰ্ধ ছুটি ঘোষণা কৰিছে। উত্তৰ প্ৰদেশ, অসম আৰু মহাৰাষ্ট্ৰৰ দৰে বিজেপি শাসিত ৰাজ্যসমূহত সোমবাৰে সম্পূৰ্ণ দিনৰ বন্ধ থাকিব। কংগ্ৰেছ শাসিত হিমাচলেও দেওবাৰে সম্পূৰ্ণ দিনৰ বন্ধ ঘোষণা কৰিছে। ৰাজস্থান, গুজৰাট, মধ্য প্ৰদেশ, ছত্তীশগড়, ওড়িশা, ছিক্কিম চৰকাৰে বন্ধ ঘোষণা কৰিছে। কাইলৈ ১২ বজাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাম মন্দিৰ উদ্বোধন কৰিব। মোদীৰ হাতেৰে, ৰাম লাল্লাৰ মূৰ্তিৰ 'প্ৰাণপ্ৰতিষ্ঠা' হ'ব। উদ্বোধনৰ সময়ত দেশৰ বিভিন্ন প্ৰান্তৰ কমেও ৮,০০০ লোক অযোধ্যাত উপস্থিত থাকিব। তাৰকা অতিথিসকলো থাকিব। বহু তাৰকাই ইতিমধ্যে অযোধ্যাত উপস্থিত হৈছে। মোদীয়ে সোমবাৰে পুৱা ১০.৩০ বজাৰ ভিতৰত অযোধ্যাত উপস্থিত হ'বছে। তাৰ পিছতে গোটেই দিনটোত তেওঁৰ কেইবাটাও কাৰ্যসূচী ৰখা হৈছে। ৰাম মন্দিৰ উদ্বোধনৰ পাছতে মোদীয়ে অযোধ্যাত এখন ৰাজহুৱা সভাও সম্বোধন কৰিব৷ প্ৰধানমন্ত্ৰীয়ে পুৱা ১০.২৫ বজাত অযোধ্যাৰ বাল্মীকি বিমানবন্দৰত অৱতৰণ কৰিব। পুৱা ১০.৪৫ বজাত হেলিকপ্টাৰেৰে অযোধ্যা হেলিপেডত উপস্থিত হ'ব। প্ৰধানমন্ত্ৰীয়ে পুৱা ১০:৫৫ বজাত ৰাম মন্দিৰ চৌহদত উপস্থিত হয়। উদ্বোধনী অনুষ্ঠান দুপৰীয়া ১২ বজাত আৰম্ভ হ'ব। পুৱা ১১ বজাৰ পৰা নিশা ১২ বজালৈ ৰাম মন্দিৰৰ ভিতৰত থাকিব মোদী। ৰাম লাল্লাৰ মূৰ্তিৰ 'প্ৰাণ প্ৰতিষ্ঠা''ৰ ৰীতি-নীতি দুপৰীয়া ১২:০৫ বজাত আৰম্ভ হ'ব। অনুষ্ঠান ৫০ মিনিট অব্যাহত থাকিব। প্ৰধানমন্ত্ৰীয়ে সকলো ৰীতি-নীতি সম্পূৰ্ণ কৰাৰ পিছত দুপৰীয়া ১২:৫৫ বজাত উদ্বোধনী স্থান ত্যাগ কৰিব। ৰাম মন্দিৰৰ ওচৰত মোদীৰ ৰেলীৰ আয়োজন কৰা হৈছে। তেওঁ দুপৰীয়া ১ বজাৰ ভিতৰত ৰেলীত উপস্থিত হ'ব। ৰেলী দুপৰীয়া ২ বজালৈকে চলিব। প্ৰধানমন্ত্ৰীয়ে সেই সভাৰ পৰা জনসাধাৰণক সম্বোধন কৰিব। মোদীয়ে অযোধ্যাৰ এক গুৰুত্বপূৰ্ণ পৰ্যটকৰ আকৰ্ষণ কুবেৰ তিলাও ভ্ৰমণ কৰিব। হিন্দু ধৰ্মত এই কুবেৰ তিলাৰ গুৰুত্ব অপৰিসীম। ৰামৰ জন্মস্থানৰ পৰা অলপ দূৰত সৰয়ু নদীৰ পাৰত এটা শিৱলিংগ নিৰ্মাণ কৰা হৈছে৷ প্ৰধানমন্ত্ৰীয়ে আবেলি পবিত্ৰ কুবেৰ টিলা ভ্ৰমণ কৰিব। অৱশ্যে, মন্দিৰ মঙলবাৰৰ পৰা সাধাৰণ দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হ'ব। সোমবাৰে, সাধাৰণ ৰাইজক নিমন্ত্ৰণ অবিহনে মন্দিৰত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া নহ'ব। ৰাম মন্দিৰৰ দুৱাৰ মঙলবাৰৰ পৰা দিনত দুবাৰকৈ ৰাইজৰ বাবে মুকলি কৰা হ'ব। দুৱাৰবোৰ প্ৰথমবাৰৰ বাবে পুৱা ৭ বজাত খুলিব। সেই সময়ত ভক্তসকলে মন্দিৰত প্ৰৱেশ কৰি প্ৰাৰ্থনা কৰিব পাৰিব। দুৱাৰবোৰ পুনৰ ৰাতিপুৱা ১১.৩০ বজাত বন্ধ কৰা হ'ব। আঢ়ৈ ঘণ্টাৰ বিৰতিৰ পিছত দৰ্শনাৰ্থীসকলে দুপৰীয়া ২ বজাৰ পৰা ৰাম মন্দিৰত প্ৰৱেশ কৰিবলৈ সক্ষম হ'ব। দুৱাৰ সন্ধিয়া ৭ বজাত বন্ধ হ'ব। দিনত তিনিবাৰকৈ ৰাম মন্দিৰত আৰতি কৰা হ'ব। পুৱা প্ৰথম আৰতিৰ সময় পুৱা ৬:৩০ বজাত। দুপৰীয়া ১২ বজাত ৰাম মন্দিৰত 'ভোগ আৰতি' অনুষ্ঠিত হ'ব। শেষত সন্ধিয়া ৭ বজাত পুনৰ আৰতি কৰা হ'ব। আৰতি কৰিব বিচাৰিলে পৰিচয় পত্ৰ লৈ নিৰ্ধাৰিত সময়ৰ ৩০ মিনিট আগতে মন্দিৰৰ শিবিৰ কাৰ্যালয়ত উপস্থিত হ'ব লাগিব।

# ৰাম মন্দিৰৰ উদ্বোধনী অনুষ্ঠানৰ প্ৰচাৰক লৈ তামিলনাডু চৰকাৰৰ বিৰুদ্ধে সীতাৰমণৰ 'ভুৱা প্ৰচাৰ'!

**চেন্নাই, ২১ জানুৱাৰীঃ** অযোধ্যাত অনুষ্ঠিত হ'বলগীয়া প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীৰ বাবে সমগ্ৰ দেশতে ব্যাপক উৎসাহৰ মাজতে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে তামিলনাডু চৰকাৰৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে৷ তামিলনাডু চৰকাৰে প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীৰ পোনপটীয়া প্ৰচাৰ নিষিদ্ধ কৰাৰ অভিযোগ উত্থাপন কৰিছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ডিএমকে চৰকাৰক লক্ষ্য কৰি লয়। অৱশ্যে তামিলনাডু চৰকাৰৰ মন্ত্ৰী পিকে চেকাৰ বাবুয়ে টুইট কৰি এনে ধৰণৰ কোনো নিষেধাজ্ঞা আৰোপ কৰাৰ কথা অস্বীকাৰ কৰিছে। বিত্ত মন্ত্ৰীয়ে এক্সত পোষ্ট কৰি কয় যে তামিলনাডু চৰকাৰে ২২ জানুৱাৰীত অযোধ্যাত কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ নিষিদ্ধ কৰিছে। তামিলনাডুত ভগৱান শ্ৰী ৰামৰ ২০০তকৈও অধিক মন্দিৰ আছে। শ্ৰী ৰামৰ নামত যিকোনো ধৰণৰ পূজা, ভজন, কীৰ্তন, প্ৰসাদম আৰু অন্নদান এইচআৰ এণ্ড চিই-ৰ দ্বাৰা পৰিচালিত মন্দিৰত অনুমোদিত নহয়। নিৰ্মলা সীতাৰমণে আৰু কয় যে আৰক্ষীয়ে ব্যক্তিগতভাৱে চলোৱা মন্দিৰসমূহকো অনুষ্ঠান আয়োজন কৰাত বাধা দিছে। আয়োজকসকলক ভাবুকি দি পেণ্ডেল ভাঙিম বুলি কৈছে। ডিএমকে নেতৃত্বাধীন ৰাজ্য চৰকাৰক হিন্দু বিৰোধী, ঘৃণনীয় কাৰ্যক তীব্ৰ গৰিহণা দিয়ে নিৰ্মলা সীতাৰমণে। সীতাৰমণে অভিযোগ কৰি কয় যে তামিলনাডুৰ বহু ঠাইত হৃদয় বিহ্বল আৰু উদ্ভট দৃশ্য দেখা গৈছে। মানুহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অযোধ্যাত ভগৱান ৰামৰ অভিষেক কৰা চাব বিচাৰে৷ লোকসকলে ভজন আয়োজন কৰিছে৷ দৰিদ্ৰ লোকক মিঠাই বিতৰণ, আনন্দ উদযাপন কৰি সকলোৱে এই দৃশ্য চাব বিচাৰে। কিন্তু টিভি অপাৰেটৰসকলক কোৱা হৈছে যে লাইভ টেলিকাষ্টৰ সময়ত বিদ্যুৎ বন্ধ হোৱাৰ সম্ভাৱনা আছে। এয়া ডিএমকেৰ হিন্দু বিৰোধী পদক্ষেপ। প্ৰত্যুত্তৰত তামিলনাডু চৰকাৰে অনানুষ্ঠানিক লাইভ টেলিকাষ্ট নিষেধাজ্ঞাৰ কথা কৈ আইন-শৃংখলাৰ অৱনতি কৰিবলৈ প্ৰয়াস বুলি দাবী কৰিছে। এয়া এটা মিছা আৰু ভুৱা কাহিনী! অযোধ্যাৰ ৰায়দানৰ দিনা কোনো আইন-শৃংখলাৰ সমস্যা নাছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাম মন্দিৰৰ আধাৰশিলা স্থাপন কৰাৰ দিনাও সমস্যা হোৱা নাছিল। ষ্টেলিন চৰকাৰৰ মন্ত্ৰী পিকে চেকাৰ বাবুয়ে ছচিয়েল মিডিয়া ছাইট এক্সত লিখিছে যে এইটো ভুৱা বাতৰি। মই ভুল বাতৰিটোক সম্পূৰ্ণৰূপে গৰিহণা দিছো। মনোযোগ আঁতৰোৱাৰ এটা প্ৰয়াস। এয়া দুখজনক যে বিত্ত মন্ত্ৰীৰ দৰে পদত থকা লোকে এনে উৰাবাতৰি প্ৰচাৰ কৰিছে৷



# এটোপাল এটোপাল তেজৰ হিচাপ হ'বঃ ভূপেন বৰা

## হাতত তেজলগা ৰুমাল লৈ হুংকাৰ

**ই-সংবাদ, ২১ জানুৱাৰীঃ** ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ আজি অষ্টম দিন। অষ্টম দিনটোত ৰাহুল গান্ধীৰ যাত্ৰা বিশ্বনাথ জিলাৰ গহপুৰ আৰু শোণিতপুৰ জিলাৰ জামুগুৰিহাট হৈ নগাৱত উপস্থিত হয়। গহপুৰৰ পৰা যাত্ৰা কৰাৰ সময়ত কেইবাটাও বিক্ষিপ্ত ঘটনা সংঘটিত হয়। জামুগুৰিহাটত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাক বিজেপিৰ কৰ্মীয়ে আক্ৰমণ কৰে। আনহাতে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশৰ গাড়ী ৰখাই আক্ৰমণৰ প্ৰয়াস কৰাৰ অভিযোগ উত্থাপন হয়। ভূপেন কুমাৰ বৰাক শিল নিক্ষেপ কৰাত মূৰত শিল লাগি গুৰুতৰভাৱে আহত হয়। আনহাতে আন এজন কংগ্ৰেছ কৰ্মী গুৰুতৰভাৱে আহত হয়। অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ ভৰত নৰহ আৰু উপাধ্যক্ষ বেদব্ৰত বৰাই এক প্ৰেছ বিবৃতি যোগে ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সফলতাত বিজেপি দল আৰু বিজেপি নেতৃত্বাধীন অসম চৰকাৰ শংকিত। এই কথা বাৰে বাৰে প্ৰদেশ কংগ্ৰেছে কৈ আহিছে। তাৰ আকৌ এবাৰ প্ৰমাণ পোৱা গৈছে বুলি কয়। বিবৃতি যোগে প্ৰদেশ কংগ্ৰেছে কয় যে আজি ন্যায় যাত্ৰাৰ সময়ত কংগ্ৰেছৰ সৰ্বভাৰতীয় নেতা তথা কংগ্ৰেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশৰ গাড়ীত বিজেপিৰ গুণ্ডাবাহিনী এটাই আক্ৰমণৰ প্ৰয়াস চলাই। আনহাতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাক বিজেপিৰ দুৰ্বৃত্তই আক্ৰমণ কৰে। ৰাহুল গান্ধীৰ আজিৰ যাত্ৰাৰ সময়ত ভূপেন কুমাৰ বৰাক কৰা আক্ৰমণক অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে গৰিহণা দি এনে নিকৃষ্ট কাণ্ডক নিন্দা কৰিছে। বিজেপিৰ এনে নীচ কাণ্ড সংঘটিত নকৰিবলৈ সকীয়াই দিলো। ঘটনাৰ ন্যায়িক তদন্তৰ দাবী উত্থাপন কৰি দোষীক গ্ৰেপ্তাৰ কৰক। ঘটনাক লৈ শোণিতপুৰ জিলা কংগ্ৰেছে ইতিমধ্যে জামুগুৰিহাটত এজাহাৰ দাখিল কৰিছে। বিজেপি দল আৰু চৰকাৰ হতাশ হৈছে। কংগ্ৰেছে আৰু কয় যে বিজেপিৰ গুণ্ডা বাহিনীয়ে হতাশ হৈ ভূপেন কুমাৰ বৰাক আক্ৰমণ কৰিছে। ভূপেন কুমাৰ বৰা আৰু হৃদয়া দাস বুলি আন এজন কংগ্ৰেছ কৰ্মী গুৰুতৰভাৱে আহত হৈছে। এই ঘটনাত চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছো। সেয়েহে আৰক্ষীৰ তদন্তৰ প্ৰদেশ কংগ্ৰেছৰ বিশ্বাস নাই। ন্যায়িক তদন্ত দাবী কৰিছে প্ৰদেশ কংগ্ৰেছে। প্ৰদেশ কংগ্ৰেছে ২৪ ঘণ্টাৰ সময়সীমা বান্ধি দিছে। যদি দোষীক গ্ৰেপ্তাৰ কৰিব নোৱাৰে তেন্তে পৰৱৰ্তী সময়ত প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰা হ'ব। পুনৰবাৰ বিজেপিৰ নেতা-কৰ্মীক সকীয়াই দি কয় যে বিজেপিৰ ভেৰোণীয়া গুণ্ডা বাহিনীক আমি ভয় নকৰো। কংগ্ৰেছে এনে গুণ্ডা বাহিনীক ভয় নকৰে। ৰাহুল গান্ধীৰ নেতৃত্বৰ ভাৰত জোড়ো ন্যায় যাত্ৰা ব্যাহত কৰিবলৈ বিজেপিয়ে যিমানে প্ৰয়াস নকৰক কিয়, কোনো কাৰণত সফল হ'ব নোৱাৰে বিজেপি। বিজেপিয়ে যিমানে যাত্ৰা ব্যাহত কৰিবলৈ প্ৰয়াস কৰিছে সিমানে কংগ্ৰেছ কৰ্মীৰ উৎসাহ আৰু সাহস দুগুণে বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সকিয়নী দি প্ৰদেশ কংগ্ৰেছে কও যে মুখ্যমন্ত্ৰীয়ে ঘটনাৰ সৈতে জড়িত দোষীক কৰায়ত্ব কৰক। ইফালে, কলিয়াবৰত ভাষণ দি হাতত তেজলগা ৰুমাল উলিয়াই প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কয়, 'আজি মই যি মোৰ তেজ দিছো এই তেজ কেৱল মোৰ নহয়, এই তেজ অসমৰ প্ৰতিজন কংগ্ৰেছীৰ তেজ, এই তেজ আজি মাটিত পৰিছে, এই এটোপাল এটোপাল তেজৰ হিচাপ হ'ব।'

# ‘ব্ৰিটিছকেই ভয় নাখালো, আমি বিজেপিক ভয় খাম নেকি’

## কলিয়াবৰত ন্যায় যাত্ৰাৰ বৃহৎ সমাৰেশত খাৰ্গে

**ই-সংবাদ, ২১ জানুৱাৰীঃ** ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ অষ্টম দিনটোত অসম-অৰুণাচলৰ সীমান্তৰ হোলোংগীৰ পৰা যাত্ৰা আৰম্ভ কৰে৷ পুৱাই অসম-অৰুণাচলৰ সীমান্তৰ ৰাজগড়ত অসমৰ বিৰোধী ঐক্য মঞ্চৰ ১৫টা দলৰ প্ৰতিনিধিক সাক্ষাৎ কৰে ৰাহুল গান্ধীয়৷ ৰাজগড়ৰ পৰা যাত্ৰা বিশ্বনাথ অভিমুখে আৰম্ভ হয়৷ বিশ্বনাথ জিলাৰ গহপুৰৰ মাজেৰে জামুগুৰিহাটত উপস্থিত হয়৷ জামুগুৰিহাট হৈ নগাঁও জিলাৰ কলিয়াবৰত উপস্থিত হয় ৰাহুল গান্ধী৷ কলিয়াবৰৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পৰ পথাৰত কংগ্ৰেছৰ বৃহৎ সমাৰেশ অনুষ্ঠিত হয়৷ কলিয়াবৰৰ সভাত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জন খাৰ্গে উপস্থিত থাকে৷ মল্লিকাৰ্জুন খাৰ্গেয়ে বিজেপিক আক্ৰমণ কৰি কয় যে ভাৰত জোড়ো ন্যায় যাত্ৰা বহুত ভালদৰে চলি আছে৷ ৰাইজে আকোৱালি লৈছে৷ যাৰ বাবে বিজেপিয়ে ভয় খাইছে৷ ভয় খাই আমাৰ প্ৰদেশ সভাপতিক আক্ৰমণ কৰিছে৷ ভূপেন বৰা ভয় খোৱা মানুহ নহয়৷ ৰাহুল গান্ধীৰ চিপাহী হয়৷ কংগ্ৰেছৰ চিপাহী৷ কংগ্ৰেছৰ চিপাহীয়ে কেতিয়াও ভয় নাখায়৷ আমি এনে মানুহ বহু দেখিছো৷ আমাৰ মেকুৰীয়ে আজি আমাকে মেও মেও কৰিব ধৰিছে৷ যিটো মেকুৰীয়ে আজি আমাকে মেও মেও কৰি আছে৷ এনে বহু মানুহক দেখিলো৷ যদি আমাক ভয় খুৱাব বিচাৰে৷ আমি কেতিয়াও ভয় নাখাও এয়া কংগ্ৰেছৰ প্ৰতিশ্ৰুতি৷ দেশৰ বাবে আমি ৰক্ত দিছো৷ স্বাধীনতা আন্দোলনত আমাৰ মানুহে জেললৈ গৈছে৷ আমাৰ মানুহে ফাঁচীকাঠত ওলমিছে৷ আমি ব্ৰিটিছক ভয় নকৰিলো৷ বিজেপিক ভয় কৰিব নে কি বুলি প্ৰশ্ন কৰে মল্লিকাৰ্জুন খাৰ্গেয়৷ জৱাহৰলাল নেহেৰুৰ প্ৰসংগ আনি খাৰ্গেয়ে আৰু কয় যে নেহেৰুৱে বৃহৎ বৃহৎ উদ্যোগ স্থাপন কৰিছে৷ নদীবান্ধ নিৰ্মাণ কৰিছে৷ অসম আজি ধান উদপাদনৰ কেন্দ্ৰ হৈ পৰিছে৷ সেয়েহে আজি অসমত উন্নয়ন হৈছে৷ সকলোবোৰ মোদীৰ দিনত হৈছে নেকি বুলি প্ৰশ্ন কৰি খাৰ্গেয়ে কয় যে আইআইটি, এইমছ, পিএছইউ আদি মোদীৰ দিনত হৈছে নেকি? এই সকলো কংগ্ৰেছৰ দিনত নেহেৰুৱে স্থাপন কৰিছে৷ এই সকলোবোৰ নেহেৰু আৰু ইন্দিৰা গান্ধীয়ে নিৰ্মাণ কৰিছে৷ সেয়েহে আজি ভাৰত আৰ্থিকভাবে শক্তিশালী হৈছে৷ সভাত ভাষণ প্ৰদান কৰি ৰাহুল গান্ধীয়ে কয় ‘ভাৰতৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী জন কোন? উত্তৰটো হ’ল হিমন্ত বিশ্ব শৰ্মা৷ অসম আৰু সমগ্ৰ দেশৰ ৰাইজে এই কথা জানে। যিসকলে আমাক ভাবুকি দি আছে, তেওঁলোকে জানিব লাগে যে এয়া ৰাহুল গান্ধীৰ যাত্ৰা নহয়, এয়া হৈছে অসমৰ জনসাধাৰণৰ যাত্ৰা।

ৰাহুল গান্ধী আৰু অসমৰ ৰাইজে মুখ্যমন্ত্ৰীক ভয় নকৰে, তেওঁলোকে যি কৰিব বিচাৰে সেয়া কৰক। গান্ধীয়ে কিছু বিজেপি কৰ্মীয়ে বাছখনৰ সন্মুখলৈ আহি বিজেপিৰ পতাকা প্ৰদৰ্শন কৰাত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে মই বাছৰ ভিতৰৰ পৰা নামিযোৱাত তেওঁলোকে দৌৰ দিলে৷ আমাৰ যিমান পোষ্টাৰ ছিঙিব লাগিব সিমান ফালি পেলাওক। আমি গুৰুত্ব নিদিওঁ। এয়া আমাৰ আদৰ্শৰ যুঁজ, আমি কাকো ভয় নকৰোঁ। নৰেন্দ্ৰ মোদী বা অসমৰ মুখ্যমন্ত্ৰী নহয়৷ ৰাহুল গান্ধীয়ে অসমৰ যুৱ আৰু কৃষকসকলৰ প্ৰতি অন্যায় কৰা হৈছে বুলি কৈ কয় যে যুৱক-যুৱতীসকলে লাখ লাখ টকা খৰচ কৰি স্কুল-কলেজলৈ যায়৷ কিন্তু তাৰ পিছত গম পায় যে তেওঁলোকে অসমত চাকৰি নাপায়। কৃষকসকলে শস্যৰ সঠিক মূল্য নাপায়৷

# জয়ৰাম ৰমেশৰ গাড়ীত হোৱা আক্ৰমণৰ ঘটনাৰ তদন্তৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**ই-সংবাদ, ২১ জানুৱাৰীঃ** শোণিতপুৰ জিলাত জামুগুৰিহাটত হাতত বিজেপিৰ পতাকা লোৱা একাংশ উদণ্ড লোকে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতা জয়ৰাম ৰমেশৰ গাড়ী ৰখাই আক্ৰমণ কৰিবলৈ উদ্যত হোৱা বিষয়টোৱে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে৷ ঘটনাৰ সময়ৰ এটা ভিডিঅ’ জয়ৰাম ৰমেশে এক্সত টুইট কৰিছে৷ জয়ৰাম ৰমেশৰ টুইট কৰাৰ পাছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জয়ৰাম ৰমেশৰ টুইটক ৰি-টুইট কৰি প্ৰতিক্ৰিয়া ব্যক্ত কৰি অসম আৰক্ষীক তদন্তৰ নিৰ্দেশ দিয়ে৷ শোণিতপুৰ জিলাত কংগ্ৰেছ নেতা জয়ৰাম ৰমেশৰ গাড়ীত হোৱা আক্ৰমণৰ ঘটনাৰ তদন্তৰ নিৰ্দেশ দিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীৰ ডিজিপি জি.পি সিঙক গোচৰ ৰুজু কৰিবলৈ আৰু অভিযোগৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে। কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে অভিযোগ কৰি কয় যে তেওঁৰ বাহনত শোণিতপুৰ জিলাত বিজেপি কৰ্মীয়ে আক্ৰমণ কৰে। ৰমেশে ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত এটা ভিডিঅ' শ্বেয়াৰ কৰি অভিযোগ কৰে যে বিজেপি কৰ্মীয়ে জামুগুৰিহাটত বাহনত আক্ৰমণ কৰি ন্যায় যাত্ৰাৰ ষ্টিকাৰ ছিঙি পেলাই। কংগ্ৰেছে অভিযোগ কৰি কয় যে গাড়ীত পানী দলিয়াই বিভিন্ন শ্ল'গানো দিছিল। ভিডিঅ’টোত দেখা গৈছিল যে গাড়ীখন এদল মানুহে অৱৰোধ কৰে৷ হাতত আছিল বিজেপিৰ পতাকা। বাহিৰৰ পৰা মানুহে হাত জোকাৰি থকা দেখা গৈছিল৷ আনকি গাড়ী চলাচল কৰাতো বাধা দিছিল৷

# ড০ অখিলৰঞ্জন দত্তৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ হুংকাৰ মুখ্যমন্ত্ৰীৰ

## মুখ্যমন্ত্ৰীৰ সিদ্ধান্তক চৰম অগণতান্ত্ৰিক আখ্যা আছুৰ

**ই-সংবাদ, ২১ জানুৱাৰীঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ অখিলৰঞ্জন দত্তৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণৰ হুংকাৰ দিয়াৰ পাছতে ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এনে আচৰণত বিভিন্ন জনে তীব্ৰ ক্ষোভ ব্যক্ত কৰাৰ লগতে মুখ্যমন্ত্ৰীৰ কাণ্ডক নিন্দা কৰিছে সদৌ অসম ছাত্ৰ সন্থাই। আজি এই খবৰ প্ৰকাশৰ পাছতে আছুৰ সভাপতি উৎপল শৰ্মাই মুখ্যমন্ত্ৰীৰ নিৰ্দেশক তীব্ৰ সমালোচনা কৰে। উৎপল শৰ্মাই মুখ্যমন্ত্ৰীৰ এনে নিৰ্দেশ দুৰ্ভাগ্যজনক বুলি কয়। উৎপল শৰ্মাই তীব্ৰ ক্ষোভ ব্যক্ত কৰি কয় যে মুখ্যমন্ত্ৰীক সমালোচনা কৰাৰ বাবেই বিশ্ববিদ্যালয়ৰ শিক্ষক এগৰাকীৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণৰ হুংকাৰ দিয়াটো দুৰ্ভাগ্যজনক। চৰম অগণতান্ত্ৰিক মানসিকতাৰ প্ৰতিফলন এইয়া। বিশ্ববিদ্যালয়সমূহ মুক্ত চিন্তা, আদৰ্শগত দ্বন্দৰ আখৰাস্থলী। মুখ্যমন্ত্ৰীগৰাকীয়ে পৰৱৰ্তী উপাচাৰ্য নিযুক্তিৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ত হস্তক্ষেপ কৰিব বুলি এক প্ৰকাৰ মুকলিকৈ কৈ দিলে। ইতিহাসত নজিৰ আছে যে বিশ্ববিদ্যালয়সমূহৰ পৰা বিৰোধ আৰু অসন্মতিৰ স্বৰ সৃষ্টি হ'ব পাৰে বুলি সদায়েই ৰজাঘৰে ভয় খাই আহিছে। সেই ভয়ৰে বহিঃপ্ৰকাশ হৈছে মুখ্যমন্ত্ৰীগৰাকীৰ বক্তব্যত। আশা কৰিছো, বিশ্ববিদ্যালয়ৰ শিক্ষকৰ বাক-স্বাধীনতা খৰ্ব কৰিব বিচৰা এনে পদক্ষেপৰ বিৰুদ্ধে বিশ্ববিদ্যালয়ৰ শিক্ষক সমাজে মাত মাতিব। আনহাতে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই এই ক্ষেত্ৰত প্ৰতিক্ৰিয়া ব্যক্ত কৰে। শংকৰজ্যোতি বৰুৱাই কয় মুখ্যমন্ত্ৰীগৰাকীয়ে বিশ্ববিদ্যালয়ৰ অধ্যাপক এজনৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণৰ হুংকাৰ দিয়া অগণতান্ত্ৰিক মানসিকতাৰ তীব্ৰ বিৰোধিতা কৰিছো। এয়া সংবিধান বিৰোধী, বাক-স্বাধিনতা খৰ্ব কৰা হৈছে। মুখ্যমন্ত্ৰীক সমালোচনা কৰাটো অপৰাধ হ'ব নোৱাৰে। মুখ্যমন্ত্ৰীৰ এনে হস্তক্ষেপ বৌদ্ধিক সমাজৰ বাবে অশুভ। মুকলি চিন্তাৰ আখৰাস্থলী বিশ্ববিদ্যালয়সমূহত মুখ্যমন্ত্ৰীৰ এনে মানসিকতা গ্ৰহণযোগ্য নহয়। বিশ্ববিদ্যালয়ৰ শিক্ষক সমাজ আৰু বৌদ্ধিক সমাজে ইয়াৰ প্ৰতিবাদ কৰিব লাগে। আজি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিশিষ্ট বুদ্ধিজীৱি ড০ হীৰেন গোহাঁইৰ বিৰুদ্ধে সৰৱ হয়। অসমৰ বুদ্ধিজীৱি সম্পৰ্কে 'মাল শব্দ'ৰ প্ৰয়োগ কৰা বিষয়টোক পুনৰ চৰ্চালৈ আনি মুখ্যমন্ত্ৰীয়ে কয় যে 'ভূপেন হাজৰিকাক 'ৰেণ্ডী চাহেব' বুলি কোৱা মালটোৱে মই 'মাল' বুলি ক'লে বেয়া পায়। মাল শব্দটো 'ৰেণ্ডী চাহেব' শব্দতকৈ বহুত ভাল। তেওঁ এটা অদ্ভুত মাল আৰু মই সদায় কৈ থাকিম। সংবাদমেলত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড০ অখিলৰঞ্জন দত্তৰ বিৰুদ্ধেও সৰৱ হয় মুখ্যমন্ত্ৰীয়। মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁ বিশ্ববিদ্যালয়ত কাম কৰি মোৰ বিৰুদ্ধে লিখে। মই উপাচাৰ্যলৈ পত্ৰ লিখিছো। ছোঁকি চাৰ্ভিছ ৰুলৰ ভিত্তিত সকলোতে লিখি থাকিব পাৰিছে বুলি কৈ মুখ্যমন্ত্ৰীয়ে আগন্তুক বিধানসভাৰ অধিৱেশনত অধ্যাদেশ আনি বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ সীমাবদ্ধতা নিৰূপণ কৰা হ'ব বুলি কয়।

# ২২ জানুৱাৰীত ৰাজ্যৰ সংবেদনশীল ঠাইত ভিৰ কৰিব নোৱাৰিবঃ মুখ্যমন্ত্ৰী

**ই-সংবাদ, ২১ জানুৱাৰীঃ** কাইলৈ ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ইতিমধ্যে দেশত ৰামময় পৰিস্থিতিৰ সূচনা হৈছে। লক্ষ লক্ষ হিন্দুৱে বিশেষক্ষণৰ বাবে গভীৰ উৎকণ্ঠাৰে বৈ আছে। তাৰ মাজতে অসমত সংবেদনশীল এলেকাক লৈ ৰাজ্য চৰকাৰ সজাগ হৈছে। যাতে ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ গইনা লৈ কোনো হিংসাত্মক কাণ্ড সংঘটিত নহয় তাৰ বাবে ৰাজ্য চৰকাৰ পূৰ্বৰ পৰা সজাগ হৈছে। আজি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ যিসমূহ এলেকা সংবেদনশীল সেই এলেকাত মানুহে ভিৰ কৰিব নোৱাৰিব বুলি কঠোৰ নিৰ্দেশ দিছে। ৰাজ্য চৰকাৰে এইক্ষেত্ৰত নিৰ্দেশনা দিয়া বুলিও কয় মুখ্যমন্ত্ৰীয়ে। ২২ জানুৱাৰীত মুখ্যমন্ত্ৰীয়ে সকলো ধৰ্মৰ লোককে বিশেষ প্ৰাৰ্থনা, বিশেষ নামাজ আৰু গীৰ্জাত যোৱা লোকসকল বিশেষ প্ৰাৰ্থনা কৰিবলৈ আহ্বান জনাই কয় যে ভাৰতবৰ্ষত সকলো ধৰ্মৰ লোকে যাতে একেলগে থাকিব পাৰো। মুখ্যমন্ত্ৰীয়ে সংবেদনশীল এলেকাত আৰক্ষী অৰ্ধসামৰিক বাহিনী নিয়েগা কৰাৰ কথাও উল্লেখ কৰে। আনহাতে কাইলৈ দিনটো নিজ নিজ ঘৰতে আৱদ্ধ থাকি প্ৰতিগৰাকী লোকক সংবেদনশীলতা বৰ্তাই ৰাখিবলৈ আহ্বান জনায়।

# ৩ বজাৰ পাছতহে বটদ্ৰৱা থানলৈ যাব পাৰিব ৰাহুল গান্ধী

**ই-সংবাদ, ২১ জানুৱাৰীঃ** আজি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাহুল গান্ধীক ২ বজাৰ পাছতহে বটদ্ৰৱা থানলৈ যাবৰ বাবে আহ্বান জনাইছিল। ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানৰ বাবে মুখ্যমন্ত্ৰীয়ে কয় যে কাইলৈ ৰাহুল গান্ধীয়ে কোনোবা এটা সময়ত বদ্‌ট্ৰৱা থানত যাব খুজিছে। মই অনুগ্ৰহ কৰিছো ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা হৈ যোৱাৰ পাছত ৰাহুল গান্ধীয়ে তালৈ যাওক। ৰাষ্ট্ৰীয় মিডিয়াই এফালে ৰাম মন্দিৰৰ ছবি আৰু আনফালে বটদ্ৰৱাৰ ছবি দেখুৱাই থাকিব। যিটো অসমবাসীৰ বাবে ভাল নহয়। আমি কাকো থানলৈ যোৱাত বাধা দিব নোৱাৰো। কিন্তু টিভিত দুটা দৃশ্য দেখুৱাই থাকিলে অসমৰ ইমেজৰ বাবে ভাল নহয়। অসমৰ মুখ্যমন্ত্ৰীয়ে সংবাদমেলত এই কথা উল্লেখ কৰাৰ পাছতে বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা সময়মতেই ৰাহুল গান্ধীক সময় নিৰ্ধাৰণ কৰি দিয়া পৰিলক্ষিত হৈছে। কংগ্ৰেছৰ বিধায়িকা শিৱামণি বৰাক এখন পত্ৰ প্ৰদান কৰি শ্ৰী শ্ৰী বটদ্ৰৱা থান পৰিচলানা সমিতিয়ে ৩ বজাৰ পাছত ৰাহুল গান্ধীক বটদ্ৰৱা থানলৈ যাব পাৰিব বুলি স্পষ্ট কৰিছে। শ্ৰী শ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে ৰাহুল গান্ধীয়ে বটদ্ৰৱা থান পৰিদৰ্শন কৰিব খোজা কাৰ্যক আদৰণি জনাই কয় যে ২১ জানুৱাৰীৰ ১১ বজাত জৰুৰীকালীন বৈঠক অনুষ্ঠিত হয়। সমিতিখনে একেদিনাই অনুষ্ঠিত হ'বলগীয়া অযোধ্যাত ৰাম মন্দিৰৰ উদ্বোধনৰ বাবে থান আৰু থান এলেকাত যথেষ্ট ভিৰ বৃদ্ধি পাব। ৰাহুল গান্ধীৰ আগমনতো থানত উপস্থিতিৰ সংখ্যা বৃদ্ধি পাব। সেয়েহে আবেলি ৩ বজাৰ পাছত শ্ৰী শ্ৰী বটদ্ৰৱা থান ভ্ৰমণ কৰিবলৈ কংগ্ৰেছ নেতাক স্পষ্ট কৰি দিয়ে বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে। উল্লেখ্য যে, ২২ জানুৱাৰীৰ পুৱা ৮ বজাৰ পৰা ৯ বজাৰ ভিতৰত ৰাহুল গান্ধীয়ে থানলৈ যোৱাৰ কথা আছিল। কিন্তু থানৰ ওচৰে-পাজৰে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰাত ৰাহুল গান্ধীৰ ভ্ৰমণ ৩ বজাৰ পূৰ্বে কোনো কাৰণত সম্ভৱ নহয় বুলি স্পষ্ট কৰে শ্ৰী শ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে।




■ ন্যায় যাত্ৰাৰ মাজতে বিৰোধী ঐক্য মঞ্চ, অসমৰ ১৫টা দলৰ শীৰ্ষ নেতাৰে ৰাহুল গান্ধীৰ বৈঠক



# আকৌ জ্বলিছে মণিপুৰ, হতাশ মুখ্যমন্ত্ৰীক লাগে সহায়

## ৰাজ্যৰ পৰিস্থিতিক 'অতি দুৰ্ভাগ্যজনক' আখ্যা

**ইম্ফল, ২১ জানুৱাৰীঃ** গৃহযুদ্ধ সদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱা মণিপুৰৰ মুখ্যমন্ত্ৰী এন. বিৰেন সিঙৰ পুনৰবাৰ দেখা গ'ল নিঃসহায়, নিঠৰুৱা অৱস্থা। মণিপুৰৰ মুখ্যমন্ত্ৰী এন. বিৰেন সিঙক বিদ্ৰোহীৰ গোটৰ সন্মুখত একপ্ৰকাৰ আত্মসমৰ্পণ কৰা দেখা গৈছে। ৰাজ্য প্ৰশাসন চম্ভালাত বিফল হোৱাত পুনৰ কেন্দ্ৰীয় বাহিনীৰ পৰা সহায় ভিক্ষা মাগিলে এন. বিৰেন সিঙে। কেন্দ্ৰীয় বাহিনীক ৰাজ্যখনৰ বৰ্তমানৰ সংকটক গুৰুত্বসহকাৰে লৈ মানুহৰ জীৱন আৰু সম্পত্তি সুৰক্ষিত কৰিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰী সিঙে। আজি মণিপুৰৰ এম.আৰ পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত ৫২ তম ৰাজ্যিক দিৱসত এই আবেদন কৰে মুখ্যমন্ত্ৰী সিঙে। শেহতীয়াকৈ নিতৌ সংঘটিত হৈ অহা নিৰীহৰ হত্যাকাণ্ডত উদ্বেগ প্ৰকাশ কৰি সিঙে মণিপুৰৰ পৰিস্থিতিক 'অতি দুৰ্ভাগ্যজনক' বুলি অভিহিত কৰে মুখ্যমন্ত্ৰী সিঙে। সিঙে আক্ষেপেৰে কয় যে নিৰাপত্তা বাহিনীৰ প্ৰাথমিক কৰ্তব্য হৈছে ক্ষতি প্ৰতিৰোধ, জনসাধাৰণৰ জীৱন আৰু সম্পত্তি সুৰক্ষিত কৰা। ৰাজ্য আৰু ৰাষ্ট্ৰীয় অখণ্ডতা বজাই ৰখা। নিৰাপত্তা বাহিনীক নিৰীহ লোকৰ জীৱন সুৰক্ষিত কৰিবলৈ আৰু অখণ্ডতা বজাই ৰখাত গুৰুত্ব দিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰী সিঙে কৈছিল যে চৰকাৰে শেহতীয়াকৈ মণিপুৰৰ মোৰেহ-বিষ্ণুপুৰ-কাংপোকপি জিলাত গৃহযুদ্ধ সদৃশ পৰিস্থিতিত ৭জনকৈ লোকে প্ৰাণ হেৰুওৱা কাণ্ডত দুখ প্ৰকাশ কৰি নিৰ্মম হত্যাকাণ্ডক তীব্ৰ গৰিহণা দিয়ে। নিৰীহ নাগৰিকসকলক লক্ষ্য কৰাটো কাপুৰুষালি বুলিও কয়। ৰাজ্য চৰকাৰে এছডিপিঅ' চিংথাম আনন্দক হত্যা কৰা অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে বুলি কয়। ২০২৩ চনৰ ৩ মে'ত মণিপুৰত মেইটেই আৰু কুকি-জো সম্প্ৰদায়ৰ মাজত জাতিগত হিংসাৰ সূত্ৰপাত হয়। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে আইন-শৃংখলা পৰিস্থিতি চম্ভালিব নোৱাৰাত বিগত ৯টা মাহে জ্বলি আছে মণিপুৰ। হিংসাত ২০০তকৈ অধিক লোক নিহত হৈছে। ১,১০৮ জন আহত হোৱাৰ লগতে ৩২ জন সন্ধানহীন হৈ আছে। ৪,৭৮৬ টা ঘৰ জ্বলাই দিয়াৰ লগতে মন্দিৰ আৰু গীৰ্জাকে ধৰি ৩৮৬টা ধৰ্মীয় অনুষ্ঠান ভাঙি পেলোৱা হৈছে। হিংসাত্মক ঘটনাৰ ফলত ৭০ হাজাৰতকৈ অধিক লোক গৃহহাৰা হয়।

# প্ৰমোদ বড়োক ঠগ আখ্যা, এইবাৰ হাগ্ৰামাৰ লক্ষ্য দিছপুৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২১ জানুৱাৰীঃ** প্ৰথমে দিল্লীলৈ দুজন সাংসদ নিৰ্বাচিত কৰি পঠিওৱা, তাৰপিছত প্ৰমোদ বড়ো হাটাও, বিটিচি বাচাও মানে বিটিচি দখল আৰু তাৰপিছত দিছপুৰ দখল। এই পৰিকল্পনাৰ কথা আজি সদৰি কৰিছে বিপিএফৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে। কোকৰাঝাৰ সদৰ চহৰৰ নিকটৰ তিতাগুৰী হালোৱাদলত আজি ছালাকাটি ব্লক বিপিএফৰ উদ্যোগত অনুষ্ঠিত হোৱা জনসভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিপিএফৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে উক্ত মন্তব্য কৰিছে। কোকৰাঝাৰ আৰু দৰং-ওদালগুৰিত বিপিএফে নিজাববীয়াকৈ প্ৰাৰ্থী দিয়াৰ কথা পুনৰবাৰৰ বাবে ঘোষণা কৰি মহিলাৰীয়ে দুয়োজন প্ৰাৰ্থীয়ে জিকিব বুলি মন্তব্য কৰিছে। কোকৰাঝাৰত মূল যুঁজ ইউপিপিএলৰ লগত আৰু দৰং ওদালগুৰিত যুঁজ বিজেপি-কংগ্ৰেছৰ সতে হ'ব বুলি মন্তব্য কৰি হাগ্ৰামা মহিলাৰীয়ে কয়, প্ৰথমে দিল্লীলৈ দুজন সাংসদ, চৰকাৰ এইবাৰ যিয়ে গঠন নকৰক কিয় জোৰা-টাপলি দি কৰিব লাগিব। যাৰে চৰকাৰ হয় তাৰে লগত থাকিব বিপিএফ। চৰকাৰৰ সৈতে থাকি এজন কেন্দ্ৰীয় মন্ত্ৰী ল'ব। তাৰপিছত চাওক বিটিচি কি হয়! প্ৰমোদ বড়ো হাটাও, বিটিচি বাচাও। তাৰপিছত বিটিচি দখল আৰু ইয়াৰপিছতে দিছপুৰ দখল। হাগ্ৰামা মহিলাৰীয়ে কয় প্ৰমোদ বড়ো এজন ঠগ, বড়ো জাতিকে ঠগোৱা প্ৰমোদ বড়োই আন জাতিৰ কি কাম কৰিব? প্ৰমোদ বড়োই কোনোবা কোচ ৰাজবংশীক, নাথ-যোগীক, কোনোবা মুছলমানক, কোনোবা বঙালীক সহায় কৰাটো অসম্ভৱ কথা। এইবাৰ বিটিচি চৰকাৰ গঠন হলে খাচ মাটি, একচনীয়া মাটিত পাট্টা দিয়াটো চৰকাৰৰ মূল ইচ্ছু হ'ব বুলি মন্তব্য কৰি হাগ্ৰামা মহুলাৰীয়ে কোচ-ৰাজবংশী, আদিৱাসীক জনজাতিকৰণত আপত্তি নাই বুলি উল্লেখ কৰিছে। আনহাতে বিটিচিত বড়োসকলক সকলো জাতি-জনগোষ্ঠীয়ে সন্মান কৰে আৰু অভিভাৱক হিচাপে লয় গতিকে বড়োসকলে আন জাতি-জনগোষ্ঠীক বেয়া পালে নহব বুলি তাপপৰ্যপূৰ্ণ মন্তব্য কৰে মহিলাৰীয়ে। ইপিনে ৰামমন্দিৰ প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীত তেওঁলোকৰ দৰে সৰু মানুহৰ কাম নাই বুলি মন্তব্য কৰি তেওঁ কাইলৈ নিজৰ কাৰ্যসূচী লৈয়ে ব্যস্ত থাকিব বুলি সদৰি কৰিছে। উল্লেখ্য যে আজি হালোৱাদল পথাৰত অনুষ্ঠিত হোৱা জনসভাখন লোকে লোকাৰণ্য হৈ পৰে। বিপিএফৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে জনতাৰ মাজলৈ গৈ কথা পাতে। তদুপৰি কাৰ্যসূচী অনুসৰি ৰাতিপুৱা শ্বহীদ তৰ্পন আৰু পতাকা উত্তোলন কাৰ্যসূচী সম্পন্ন হয়। আজিৰ সভাত বিটিচিৰ প্ৰাক্তন উপ মুখ্য কাৰ্যবাহী খাম্পা বৰগয়াৰী, প্ৰাক্তন মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম, বিটিচিৰ পাৰিষদ ক্ৰমে দেৰহাছাৎ বসুমতাৰী, প্ৰকাশ বসুমতাৰী, প্ৰাক্তন পাৰিষদ খালিলুৰ ৰহমান, সদ্যপদত্যাগী বিজেপি নেতা ৰাজকুমাৰ ব্ৰহ্ম, ছালাকাটি ব্লক, আঞ্চলিক, বুথ কমিটিৰ সভাপতি আৰু সম্পাদক আদিকে ধৰি বহু নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।



# মাজবাটত ৰেচন কাৰ্ড বিতৰণৰ শুভাৰম্ভ

**ই-সংবাদ, ওদালগুৰি, ২১ জানুৱাৰীঃ** "আগন্তুক লোকসভা নিৰ্বাচনত দৰং-ওদালগুৰি লোকসভা সমষ্টিত বিজেপিয়ে দিব প্ৰাৰ্থীত্ব। সমষ্টিটোত ইউপিপিএলে বিজেপিক সমৰ্থন দিব।" এই মন্তব্য ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। লগতে তেওঁ মঞ্চত উপস্থিত থকা মাজবাট সমষ্টিৰ বিপিএফৰ বিধায়ক চৰন বড়োকো বিজেপিৰ প্ৰাৰ্থীক সহযোগৰ বাবে মুকলি আহ্বান জনায়। আজি ওদালগুৰি জিলাৰ ৪৭ নং মাজবাট বিধানসভা সমষ্টিৰ ৰাজীৱ গান্ধী ষ্টেডিয়ামত ৰেচন কাৰ্ড বিতৰণ অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী গৰাকীয়ে আৰু কেতবোৰ মন্তব্য প্ৰকাশ কৰে। ভাষণ প্ৰসংগত তেওঁ কয়, "আজি মাজবাট বিধানসভা সমষ্টিত ১২,৩৬২ পৰিয়ালৰ মাজত ৰেচন কাৰ্ড বিতৰণ কৰা হব। যাৰ ফলত ৩৭,৭৩৭ গৰাকী লোক ইয়াৰ ফলত উপকৃত হ'ব। ইয়াকে লৈ আজিৰ পৰা মাজবাট সমষ্টিত মুঠ ৫৪ হাজাৰ পৰিয়ালত ৰেচন কাৰ্ড থাকিব। যাৰ ফলত সমষ্টিটোত ১,৮৩,৩৫৫ গৰাকী লোকে ৫ কেজিকৈ চাউল পাব। ৰেচন কাৰ্ডৰ ফলত আমি আয়ুস্মান ভাৰত কাৰ্ড পাম। যি কাৰ্ডৰ ফলত চিকিৎসালয় আৰু নিৰ্দ্দিষ্ট নাৰ্চিংহোমত ৫ লাখ টকালৈ বিনামূলীয়া চিকিৎসা সেৱা লাভ কৰিম। আয়ুস্মান কাৰ্ডখন নথকালৈ ৰেচন কাৰ্ডখন চিকিৎসালয়ত দেখুৱালেই আয়ুস্মান কাৰ্ডৰ সুবিধা পোৱা যাব। এই ৰেচন কাৰ্ডৰ ফলত উজলা গেছৰ বাবে আৱেদনো কৰিব পাৰিম। যি আঁচনিৰ ফলত আন গেছৰ তুলনাত তিনিশ টকাকৈ কম দামত গেছ ক্ৰয় কৰিব পাৰিব। এতিয়ালৈ অসম চৰকাৰে ৰেচন কাৰ্ড আৰু অৰুণোদয়ৰ মাজত সম্পৰ্ক কৰা নাই। যদিও আগন্তুক দিনত পৰ্যায়ক্ৰমে যি পৰিয়ালৰ ঘৰত ৰেচন কাৰ্ড থাকে তেনে পৰিয়ালত একোটাকৈ অৰুণোদয় আচনিৰ ব্যৱস্থা কৰাৰ চিন্তা চৰ্চা কৰিছো। ফলত ৰেচন কাৰ্ডখনৰ বাবেই পৰিয়ালে অৰুণোদয় আচনিৰ সুবিধা লাভ কৰিবলৈ সক্ষম হব। আনহাতে আমাৰ পৰিয়ালত বহু মানুহৰ জীৱন বীমা নাথাকে। বৰ্তমান সময়ত মৃত্যুৰ কথা কোনেও নাজানে। গতিকে ৰেচন কাৰ্ড থকা লোকৰ বাবে প্ৰধান মন্ত্ৰীৰ এটা জীৱন বীমা আৰু এটা দুৰ্ঘটনা বীমা প্ৰদানৰো চিন্তা চৰ্চা কৰিছো। যি প্ৰক্ৰিয়াৰ ফলত দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ পৰিয়ালে কিছু পৰিমাণে হ'লেও আৰ্থিক সহায় লাভ কৰিবলৈ সক্ষম হব।" লগতে মুখ্যমন্ত্ৰী গৰাকীয়ে কয় " মহিলাসকলক উদ্যমিতা আচনিৰ অন্তৰ্গত প্ৰ-পত্ৰ প্ৰদান কৰি থকা হৈছে। যাৰ জৰিয়তে মহিলাসকলৰ একাউণ্টত ১০ হাজাৰ টকাকৈ প্ৰদান কৰা হব। এই টকাখিনি ভাল কামত ব্যৱহাৰ কৰিলে ২৫ হাজাৰ টকা প্ৰদান কৰিম। ইয়াৰ ভিতৰত ১২,৫০০ টকা বেংকৰ ঋণ হব। লগতে আন ১২,৫০০ টকা চৰকাৰৰ পৰা প্ৰদান কৰা হব।" মুখ্যমন্ত্ৰী গৰাকীয়ে এই ধনেৰে মহিলাসকলক স্বনিৰ্ভৰ তথা নিজাকৈ উপাৰ্জন কৰিবলৈ সক্ষম হ'ব পৰাকৈ গঢ়ি তোলাৰ আহ্বান জনাই কেৱল মাত্ৰ সুতত টকা দি বহি নাথাকিবলৈ আহ্বান জনায়। ৰাজ্যৰ আন প্ৰান্তৰ সমান্তৰালভাৱে বিটিআৰ অঞ্চলৰ বাসিন্দাসকলৰ ভূমি সমস্যা সমাধান হব বুলিও আশ্বাস প্ৰদান কৰে। ইফালে জিলাখনৰ ক্ৰীড়া ক্ষেত্ৰখনৰ উন্নতি সাধনৰ হকে ওদালগুৰি জিলাত এখন উন্নত মানৰ ষ্টেডিয়াম নিৰ্মাণ কৰাৰ কথাও ঘোষণা কৰে। লগতে মুখ্যমন্ত্ৰী গৰাকীয়ে মাজবাট টাউনৰ কৃটিম বান সমস্যা ৰোধৰ বাবেও প্ৰসাসনত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। ইফালে ৰাহুল গান্ধী সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নত মুখ্যমন্ত্ৰী শৰ্মাই কয় "ৰাহুল গান্ধীক আমি বাধা দিয়াৰ কথা মিচা। বৰঞ্চ আমি তেওঁক সহায়হে কৰিছো। ৰাহুলৰ কাৰ্যসূচী সফল কামনা কৰি আনকি মোৰ কাৰ্যসূচীহে বাতিল কৰিছো।" ইফালে ৰাহুল গান্ধীৰ পোষ্টাৰ ছিঙাক লৈ সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত তেওঁ মন্তব্য দি কয় যে "বিনা অনুমতিত পোষ্টাৰ আৰিলেটো ছিঙিবই। বিজেপিয়ে কংগ্ৰেছ দলৰ নেতাৰ ঘৰৰ সন্মুখত পোষ্টাৰ আৰিলেও ফালিব পাৰে। গতিকে এইক্ষেত্ৰত অনুমতিৰ প্ৰয়োজন থাকে।" আজিৰ এই কাৰ্যসূচীত মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, সাংসদ দিলীপ শইকীয়া, বিটিচিৰ উপমূখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী, বিধায়ক চৰণ বড়োকে ধৰি কেইবাগৰাকীও ইএম এমচিএলএসকল উপস্থিত থাকে।

# ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ দিনটোত ৰাজ্যবাসীক উপবাসে থকাৰ আহ্বান মুখ্যমন্ত্ৰীৰ

**ই-সংবাদ, ২১ জানুৱাৰীঃ** আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেল সম্বোধন কৰি ২২ জানুৱাৰীত মাছ-মাংসৰ দোকান বন্ধ থকাৰ ঘোষণা কৰে৷ মুখ্যমন্ত্ৰীয়ে হোটেল, ৰেষ্টুৰেণ্টসমূহতো মাছ-মাংস বিক্ৰী কৰিব নোৱাৰিব বুলি ঘোষণা কৰে৷ কাইলৈ দিনটোত অৰ্থাৎ ২২ জানুৱাৰীৰৰ ৰামলালাৰ প্ৰাণ প্ৰতিষ্ঠাৰ দিনটোত সমগ্ৰ অসমত মাছ-মাংসৰ দোকান বন্ধ ৰখাৰ আহ্বান জনায় মুখ্যমন্ত্ৰীয়ে৷ মুখ্যমন্ত্ৰীয়ে কয় যে ২২ জানুৱাৰীৰৰ আবেলি ৪ বজালৈ ৰাজ্যত সকলো মাছ-মাংসৰ দোকান বন্ধ থাকিব৷ এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে বিশেষ নিৰ্দেশনা প্ৰকাশ কৰিব৷ ৪ বজালৈ মাছ-মাংস বা আমিষৰ ব্যৱস্থা বন্ধ থাকিব৷ কোনোবাই যদি কালিৰ সাজ ঘৰত মাছ-মাংস খাব খোজে তেন্তে আজিয়েই কিনি থব পাৰে৷ কিন্তু মুখ্যমন্ত্ৰীয়ে আহ্বান জনাই কয় যে আমি কালিৰ দিনটো যিমানে উপবাসে থাকিব পাৰো সিমান ভাল হ'ব, মংগল হ'ব৷ প্ৰাণ প্ৰতিষ্ঠাৰ মুহূৰ্তত অসমবাসীক উপবাসে থাকিবলৈও আহ্বান জনায় মুখ্যমন্ত্ৰীয়ে। ইফালে এই নিৰ্দেশক লৈ ভিন্নজনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

# পৰাজয়ৰ ক্ষণ গণিছে অসমে

**ডিব্রুগড়, ২১ জানুৱাৰীঃ** ৰঞ্জি ট্ৰফিত অন্ধ্ৰপ্ৰদেশৰ বিৰুদ্ধে পৰাজয়ৰ ক্ষণ গণিছে অসমে। ইয়াত চলি থকা এলাইট 'বি' গ্ৰুপৰ মেছৰ তৃতীয় দিনা জয়ৰ বাবে ৩৬৩ ৰানৰ লক্ষ্য আগত লৈ দ্বিতীয় ইনিংছ আৰম্ভ কৰি বিপদত পৰিছে ঘৰুৱা দলটোৱে। দিনান্তত অসমে নিজৰ দ্বিতীয় ইনিংছত ২৪ অভাৰত পাঁচ উইকেট হেৰুৱাই সংগ্ৰহ কৰিছে ৮১ ৰান। দলৰ হৈ সৰ্বাধিক ৪৬ ৰান কৰি ক্ৰিজত আছে অধিনায়ক ৰিয়ান পৰাগ। তেওঁৰ লগত আছে সুনীল ঘাদিগাঁওকাৰ। তেওঁ ছয় ৰান কৰি বেট ধৰি আছে। ইয়াৰ পূৰ্বে কালি এক উইকেটত ১৪৭ ৰানৰ পৰা খেলিবলৈ আৰম্ভ কৰি অন্ধ্ৰই অধিনায়ক ৰিকী ভুইৰ শতৰানৰ সহায়ত ৯০ অভাৰত ৩৩৪ ৰান সংগ্ৰহ কৰে। ৰিকীৰ বেটৰ পৰা আহে ১২৫ ৰান। হনুমা বিহাৰী আৰু শ্বেইক ৰাছিদে ক্ৰমে ৬৩ আৰু ৪০ ৰানৰ বৰঙণি যোগায়। অসমৰ হৈ সিদ্ধাৰ্থই ৬৬ ৰানত ৫টা উইকেট দখল কৰে। হাতত পাঁচটা উইকেট বাকী অন্তিম দিনা জয়ৰ বাবে ২৮২ ৰানৰ প্ৰয়োজন অসমক।

# পৰাস্ত ছাত্বিক-চিৰাগ

**নতুন দিল্লী, ২১ জানুৱাৰীঃ** ইণ্ডিয়ান অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডব'লছৰ ফাইনেলত পৰাস্ত হৈছে ভাৰতৰ তাৰকা যুটি ছাত্বিকচাইৰাজ ৰংকাৰেড্ডী আৰু চিৰাগ চেট্টী। ফাইনেলত তেওঁলোকে কোৰিয়াৰ চিঅ' চেউন-জাই আৰু কাঙ মিন-হেউকৰ বিৰুদ্ধে ২১-১৫, ১১-২১ আৰু ১৮-২১ ছেটত হাৰ মানে। প্ৰথমটো ছেট জয় কৰি আত্মবিশ্বাস বৃদ্ধি পোৱা যুটিটোৱে দ্বিতীয় ছেটত বিশেষ প্ৰতিৰোধ গঢ় দিবলৈ সক্ষম নহ'ল। তৃতীয় ছেটত ছন্দ ঘুৰাই পালেও সেয়া জয়ৰ বাবে পৰ্যাপ্ত নাছিল। উল্লেখ্য যে ছাত্বিক-চিৰাগ যুটিয়ে এয়া একেৰাহে দুখন প্ৰতিযোগিতাত খিতাপ অৰ্জন কৰাত ব্যৰ্থ হয়। ইয়াৰ পূৰ্বে তেওঁলোকে মালয়েছিয়ান অপেনৰ ফাইনেলত পৰাস্ত হৈছিল।



■ ক্ৰৱেচিয়াৰ পৰম্পৰাগত অনুষ্ঠানত ভাগ লৈছে স্থানীয় লোকসকলে

# অযোধ্যাত বলিউদ-টলিউদৰ তাৰকাৰ ভিৰ

**অনলাইন ফিচাৰ্ছ, ২০ জানুৱাৰীঃ** ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা সমাৰোহত অংশ ল'ব দেশ-বিদেশৰ অগণন লোকে। চিনেমা জগতৰ সৈতে জড়িত দেশৰ প্ৰায়বোৰ অভিনেতা-অভিনেত্ৰীয়ে অংশ ল'ব এই অনুষ্ঠানত। দেওবাৰে বিয়লিভাগতে অযোধ্যা উপস্থিত হৈছে দক্ষিণৰ ছুপাৰ ষ্টাৰ ৰজনীকান্ত। কেৱল ৰজনীকান্তেই নহয়, বলিউদৰ বহুকেইগৰাকী অভিনেতা-অভিনেত্ৰী ইতিমধ্যে উপস্থিত হৈছে অযোধ্যাত। অনুপম খেৰ, কংগণা ৰানাৱট, ৰনবীৰ হুদা, ধনুষকে ধৰি বহুকেইগৰাকী অভিনেতা দেওবাৰেই উপস্থিত হৈছে অযোধ্যাত। ইফালে পুৱতি নিশাই অযোধ্যাত উপস্থিত হব বিগ বি অমিতাভ বচ্চন, অক্ষয় কুমাৰকে ধৰি কেইবাগৰাকীও অভিনেতা। উল্লেখ্য যে, সোমবাৰে ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা সমাৰোহত দেশৰ সহস্ৰাধিক গণ্যমান্য ব্যক্তিয়ে অংশ ল'ব।

